# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-04-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। লোকসভাত আজি বিদেশী অৰদান সংশোধনী বিধেয়ক ২০২৬ সন্দৰ্ভত আলোচনা কৰা হ'ব।

২। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে অসমত ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন সম্পূৰ্ণ কৰা হৈছে।

৩। ক্ৰিমিয়াত ৰাছিয়াৰ সামৰিক পৰিবহনৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ২৯ জন লোক নিহত হয়।

৪। ঝাৰখণ্ডৰ ৰাঁচীত আজি ষোড়শ হকী ইণ্ডিয়া ছাৰ জুনিয়ৰ মহিলাৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ-২০২৬ অনুষ্ঠিত হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত চতুৰ্থখন খেলত পঞ্জাব কিংছে, গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে।

ooooo

লোকসভাত আজি বিদেশী অৰদান সংশোধনী বিধেয়ক ২০২৬ সন্দৰ্ভত আলোচনা কৰা হ'ব। ইয়াৰ জৰিয়তে বিদেশী অৰদান আইন ২০১০ সংশোধন কৰা হ'ব। নিম্ন সদনত আজি জনবিশ্বাস বিধেয়ক ২০২৬ সন্দৰ্ভতো আলোচনা কৰাৰ কথা আছে। ইয়াত কিছু সংখ্যক অপৰাধ, অপৰাধমুক্ত আৰু যুক্তিসংগতকৰণৰ বাবে কিছু সংখ্যক আইন সংশোধন কৰা হ'ব যাতে জীৱন-যাপন আৰু ব্যৱসায়ত সূচলতা অনাৰ উদ্দেশ্যে আস্থাভিত্তিক আধাৰিত শাসন ব্যৱস্থা অধিক শক্তিশালী কৰা হ'ব।

ৰাজ্যসভাত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী বিধেয়ক ২০২৬ সন্দৰ্ভত আলোচনা কৰা হ'ব।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে অসমত ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন সম্পূৰ্ণ কৰা হৈছে। ই ভি এম পৰিচালনা ব্যৱস্থাৰ জৰিয়তে ৰিটাৰ্নিং বিষয়াসকলে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰি ভোটকেন্দ্ৰলৈ মেচিন আৱণ্টনৰ ক্ষেত্ৰত স্বচ্ছতা নিশ্চিত কৰে। ভোট গ্ৰহণ সঁজুলি বাছনিৰ ক্ষেত্ৰত এনে কাৰিকৰী পদ্ধতিৰ প্ৰয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াৰ নিৰপেক্ষতা আৰু বিশ্বাস যোগ্যতাক অধিক শক্তিশালী কৰি তোলে। ভাৰতীয় নিৰ্বাচন আয়োগে উল্লেখ কৰিছে যে, এই আৱণ্টিত ই ভি এম আৰু ভি ভি পেটৰ তালিকাৰ বিষয়ে সকলো প্ৰাৰ্থীক অৱগত কৰোৱা হ'ব। কেৰালা আৰু পুডুচেৰীতো দ্বিতীয়টো ৰেণ্ডমাইজেছন সম্পূৰ্ণ হোৱাৰ লগতে গোৱা,

কৰ্ণাটক, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ উপ নিৰ্বাচনৰ বাবেও এই প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। এই ৰাজ্যসমূহৰ লগতে অসমত অহা ৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ooooo

ক্ৰিমিয়াত ৰাছিয়াৰ সামৰিক পৰিবহনৰ এ এন-২৬ বিমানখন দূৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ২৯ জন লোক নিহত হয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ বিচ্ছিন্ন হোৱাৰ পাছত বিমানখনে ক্ৰিমিয়া উপদ্বীপৰ এটা শিলত খুন্দা মাৰে। ইয়াৰ ফলত ২৩ জন যাত্ৰী আৰু ৬ জন বিমান কৰ্মীৰ মৃত্যু হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি কাৰিকৰী বিজুতিৰ বাবে দূৰ্ঘটনাটো সংঘটিত হোৱা বুলি অনুমান কৰা হৈছে।

ooooo

দেশত আজিৰে পৰা বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ প্ৰথম পৰ্যায়ৰ কাম কাজ আৰম্ভ হ'ব। দুটা পৰ্যায়ত অৰ্থাৎ বাসগৃহৰ তালিকা প্ৰস্তুত আৰু জনসংখ্যাৰ গণনাৰে লোকপিয়ল সম্পন্ন হ'ব আৰু ইয়াৰ বাবে ২০২৭ চনৰ ১ মাৰ্চক প্ৰাসংগিক তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। প্ৰথমবাৰৰ বাবে আজিৰ পৰা চলিত মাহৰ ১৫ তাৰিখলৈ স্ব গণনা বিকল্পৰ জৰিয়তে ডিজিটেল মাধ্যমেৰে লোকপিয়লৰ ব্যৱস্থা কৰা হৈছে। ১৬ এপ্ৰিলৰ পৰা ১৫মে লৈকে বাসগৃহৰ তালিকা প্ৰস্তুত কৰা হ'ব। এই প্ৰক্ৰিয়াত সকলো অট্টালিকা, বাসগৃহৰ তথ্য সংগ্ৰহ কৰাৰ লগত গঠনৰ ধৰণ, গৃহৰ অৱস্থা, সুবিধা আৰু সম্পত্তিৰ তথ্য সংগ্ৰহ কৰা হ'ব। ইয়াৰ উপৰি অট্টালিকাসমূহৰ জিঅ'-টেগিং আৰু প্ৰতিটো বাসগৃহৰ বাবে একক চিনাক্তকৰণ নম্বৰ প্ৰদান কৰা হ'ব। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, গোৱা, কৰ্ণাটক, লাক্ষাদ্বীপ, মিজোৰাম, ওড়িশা, ছিকিম আৰু দিল্লীকে ধৰি এঘাৰখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এই গণনা আৰম্ভ কৰা হ'ব। মে' মাহত ৯খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল, জুন মাহত তিনিখন, জুলাই মাহত দুখন আৰু আগষ্ট মাহত দুখন ৰাজ্যত এই প্ৰক্ৰিয়া সমাপন কৰা হ'ব। ডিজিটেল স্ব-গণনা অনুশীলন হৈছে এক নিৰাপদ ৱেব ভিত্তিক সুবিধা যাৰ জৰিয়তে নাগৰিকে ঘৰে ঘৰে জৰীপৰ পূৰ্বে ১৬টা ভাষাত পোনপটীয়াকৈ নিজৰ সবিশেষ তথ্য অনলাইন মাধ্যমেৰে দাখিল কৰিব পাৰিব। তথ্য সুৰক্ষা নিশ্চিত কৰাৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। সমগ্ৰ দেশতে ২০২৭ চনৰ লোকপিয়লত ৩০ লাখতকৈ অধিক গণনাকাৰী, তত্বাৱধায়ক, আৰু অন্যান্য বিষয়া জড়িত হ'ব। দ্বিতীয় পৰ্যায় অৰ্থাৎ জনসংখ্যা গণনা অহা বছৰৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিৰ সবিশেষকে ধৰি ব্যক্তিগত পৰ্যায়ৰ তথ্য সংগ্ৰহ কৰাত গুৰুত্ব দিয়া হ'ব। কেন্দ্ৰই ২০২৭ চনৰ লোকপিয়লৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক ধন ব্যয়ৰ অনুমোদন জনাইছে। মহাপঞ্জীয়ক তথা লোকপিয়ল আয়ুক্ত মৃতুঞ্জয় কুমাৰ নাৰায়ণে প্ৰেছ বিবৃতিযোগে সদৰী কৰিছে যে ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা প্ৰশাসনিক সীমা নিৰ্ধাৰণ কৰা

হৈছিল আৰু যোৱা বছৰৰ নৱেম্বৰ মাহত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত পৰীক্ষামুলকভাৱে প্ৰথম পৰ্যায়ৰ কাম কাজ আৰম্ভ কৰা হৈছিল।

ooooo

চৰকাৰে দেশজুৰি পি এন জিৰ সংযোগ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই অভিযানৰ দ্বিতীয় পৰ্যায় অহা ৩০ জুনলৈ সম্প্ৰসাৰিত কৰিছে। তদুপৰি মহানগৰসমূহৰ গেছ বিতৰকসকলক ঘৰুৱা পি এন জি সংযোগ ব্যৱস্থা অধিক দ্ৰুত কৰি তুলিবলৈ নিৰ্দেশ দিয়া হৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, মাৰ্চ মাহত ঘৰুৱা তথা বাণিজ্যিক সংযোগকে ধৰি ৩ লাখতকৈও অধিক সংযোগ কাৰ্যক্ষম কৰি তোলা হৈছে। অতিৰিক্তকৈ ২ লাখ ৭০ হাজাৰতকৈও অধিক সংযোগ কাৰ্যক্ষম কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, পহিলা মাৰ্চৰ পৰা দৈনিক গড়ে ৫০ লাখতকৈও অধিক ঘৰুৱা এল পি জি চিলিণ্ডাৰ বিতৰণ কৰা হৈছে। চৰকাৰে দেশত পেট্ৰ'ল, ডিজেল, এল পি জি আৰু পি এন জি যথেষ্ট পৰিমাণে মজুত আছে বুলিও নিশ্চিত কৰিছে। এই সন্দৰ্ভত শেহতীয়াকৈ বিয়পি পৰা উৰা বাতৰি নস্যাৎ কৰি চৰকাৰে সংবাদমেলৰ জৰিয়তে কেইবাবাৰো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত সঠিক তথ্য প্ৰকাশ কৰাৰ বাবে আহ্বান জনাইছে। বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে সংঘৰ্ষজৰ্জৰ অঞ্চলত সকলো ভাৰতীয় জাহাজ সুৰক্ষিত হৈ আছে বুলি প্ৰকাশ কৰি কয়, যে বিগত ২৪ ঘণ্টাত ভাৰতীয় জাহাজ সন্দৰ্ভত কোনো নেতিবাচক তথ্য অহা নাই। বিগত ২৪ ঘণ্টাত ৯ খন ভাৰতীয় জাহাজকে ধৰি এতিয়ালৈ ৯৫৯ খনতকৈও অধিক ভাৰতীয় জাহাজ নিৰাপদে সংশ্লিষ্ট অঞ্চলসমূহ পাৰ হৈ অহা বুলিও মন্ত্ৰালয়ে সদৰী কৰে। দেশৰ বন্দৰসমূহত সকলো কাম-কাজ স্বাভাৱিকভাৱে অব্যাহত আছে বুলিও মন্ত্ৰালয়ে সদৰী কৰে। আনহাতে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ২৮ ফেব্ৰুৱাৰীৰ পৰা ৫ লাখ ৭২ হাজাৰ যাত্ৰী সুকলমে দেশলৈ উভতি আহিছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কয়, যে ইৰানক হৰমুজ জলদ্বীপ পুনৰ মুকলি কৰিবলৈ বাধ্য কৰাৰ বাবে চলি থকা প্ৰচেষ্টাৰ পৰিপ্ৰেক্ষিতো তেওঁ আমেৰিকাৰ সামৰিক বাহিনী প্ৰত্যাহাৰ কৰিবলৈ এতিয়াও সাজু হোৱা নাই। সংবাদ মাধ্যমৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ট্ৰাম্পে আন্তঃৰাষ্ট্ৰীয় মিত্ৰ দেশসমূহৰ প্ৰতি অবিৰত হতাশা প্ৰকাশ কৰি কয়, যে তেওঁলোকে এই গুৰুত্বপূৰ্ণ সামুদ্ৰিক পথটো সুৰক্ষিত কৰাৰ দায়িত্ব ল'ব লাগিব। ইৰাণৰ বিৰুদ্ধে আমেৰিকা-ইজৰাইলৰ যুদ্ধত যোগদান কৰিবলৈ ব্ৰিটেইনকে ধৰি অন্যান্য ৰাষ্ট্ৰই সামৰিক বাহিনী নিয়োগ নকৰাত তেওঁ হতাশা প্ৰকাশ কৰি কয়, যে তেওঁ এতিয়াও আমেৰিকান বাহিনীক এই প্ৰচেষ্টাৰ পৰা আঁতৰাই নিব পৰা নাই। জাহাজ পৰিবহণ আৰু আঞ্চলিক আন্তঃগাঁথনিৰ ওপৰত ইৰাণৰ ধাৰাবাহিক আক্ৰমণৰ পাছতো ট্ৰাম্পে কয়, যে বিশ্বৰ ২০ শতাংশ তেল পৰিবহণৰ সুবিধা প্ৰদান কৰা হৰমুজ জলদ্বীপত কোনো প্ৰকৃত ভাবুকি নাই। আন আন ৰাষ্ট্ৰসমূহক যদি তেলৰ প্ৰয়োজন হয়, তেন্তে তেওঁলোকে তেলৰ সুৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয়া ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও ট্ৰাম্পে যুক্তি দৰ্শায়।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলে চাৰ্জশ্বিট নামৰ নথিপত্ৰ দাখিল কৰিছে য'ত চেন্নাই ডি এম কে চৰকাৰৰ সৈতে জড়িত অভিযোগ সন্নিৱিষ্ট কৰা হৈছে। তেওঁ সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত কয়, যে এই নিৰ্বাচন ৰাজ্যখনৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। আইন শৃংখলাৰ সমস্যা, অপৰাধ আৰু নিৰ্বাচনী প্ৰস্তুতি কাৰ্যকৰী নকৰাকে ধৰি বিভিন্ন বিষয়ৰ উদ্ধৃতি দি তেওঁ কয়, যে ডি এম কেৰ কৰ্মীসকল মহিলা, শিশু, যুৱক-যুৱতী, কৃষক আৰু দলিতৰ বিৰুদ্ধে কেইবাটাও গোচৰত জড়িত হৈ আছে। ডি এম কে চৰকাৰৰ অনিয়মৰ অভিযোগ উত্থাপন কৰি তেওঁ কয়, যে দলটো বংশগত শাসনৰ প্ৰতি আগ্ৰহী, যিয়ে চৰকাৰৰ কাৰ্যক্ষমতা দুৰ্বল কৰি তুলিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নিউ চণ্ডীগড়ৰ মুলানপুৰস্থিত য়াদবীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত চতুৰ্থখন খেলত পঞ্জাব কিংছে নৱাগত খেলুৱৈ কুপাৰ কন'লিৰ অপৰাজিত ৭২ ৰানৰ সহায়েৰে গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১৬২ ৰান সংগ্ৰহ কৰে। কুপাৰক মেন অব দ্যা মেচ ঘোষণা কৰা হয়।

আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া পঞ্চমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ডেহলি কেপিটেলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঝাৰখণ্ডৰ ৰাঁচীত আজি যোড়শ হকী ইণ্ডিয়া ছাৱ জুনিয়ৰ মহিলাৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ-২০২৬ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা অহা ১২ এপ্ৰিললৈ চলিব। প্ৰতিযোগিতাৰ এ ডিভিজনত ১২টা দলক চাৰিটা পুলত ভাগ কৰা হ'ব। নক-আউট খেলসমূহ ৯ এপ্ৰিলত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন ১২ এপ্ৰিলত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সকলো খেল মৰাং গোমকে জয়পাল সিং এষ্ট্ৰোটাৰ্ফ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

এ এফ চি এছিয়ান কাপ চৌদি আৰব ২০২৭ কোৱালিফায়াৰছ ফাইনেল ৰাউণ্ডৰ গ্ৰুপ চিত কালি ভাৰতে কোচিৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত হংকঙক ২-১ গলত পৰাস্ত কৰে।

খেলখনত ৰিয়ান উইলিয়ামছ আৰু আকাশ মিশ্ৰৰ আগতীয়া ষ্ট্ৰাইকে ব্লু টাইগাৰছৰ কোৱালিফাইং অভিযানৰ প্ৰথমটো জয় নিশ্চিত কৰে। এখনত জয়, দুখনত ড্ৰ আৰু তিনিখনত পৰাজয়েৰে ভাৰতে ৫ পইণ্ট লাভ কৰি অভিযান সমাপ্ত কৰে। ছিংগাপুৰে ১৪ পইণ্টেৰে তালিকাত শীৰ্ষস্থান দখল কৰি এছিয়ান কাপৰ বাবে অৰ্হতা লাভ কৰে।

০০০০০

**সমাপ্ত**